অধ্যায় ৬

# নাগৰিকত্ব (Citizenship)



নাগৰিকত্বই ৰাজনৈতিক সম্প্ৰদায় এটাৰ সম্পূৰ্ণ আৰু সমান সদস্যতাকে বুজায়। এই অধ্যায়ত আমি এইটোৱে প্ৰকৃততে কি বুজায় তাৰেই পুংখানুপুংখ আলোচনা আগবঢ়োৱাৰ চেষ্টা কৰিম। খণ্ড ৬.২ আৰু ৬.৩ত সম্পূৰ্ণ আৰু সমান সদস্যতাৰ ব্যাখ্যা সম্পৰ্কে আৰু চলি থকা বিভিন্ন যুক্তি তৰ্ক আৰু সংগ্ৰামৰ বিষয়ে আলোকপাত কৰিম। খণ্ড ৬.৪ত নাগৰিক আৰু জাতিৰ মাজৰ সম্পৰ্ক আৰু বিভিন্ন দেশত নাগৰিকত্ব প্ৰদানৰ নিয়ম সম্পৰ্কে আলোচনা কৰিম। গণতান্ত্ৰিক নাগৰিকত্বৰ বিভিন্ন তত্ত্বই নাগৰিকত্ব সাৰ্বজনীন হোৱাৰ দাবী কৰে। এইটোৱে ইয়াকে বুজাই নেকি যে প্ৰত্যেকজন ব্যক্তিকে এখন ৰাষ্ট্ৰ বা অন্য ৰাষ্ট্ৰৰো সদস্য হিচাপে গ্ৰহণ কৰিম? তেনেহ'লে যিবোৰ ব্যক্তিৰ কোনো নিজা ৰাষ্ট্ৰ নাই, তেওঁলোকৰ ক্ষেত্ৰত আমি কি ব্যাখ্যা আগবঢ়াম। এই বিষয়টো খণ্ড ৬.৫ত আলোচনা কৰা হ'ব। শেষ খণ্ড ৬.৬ত বিশ্ব নাগৰিকত্বৰ ধাৰণাৰ বিষয়ে আলোচনা কৰিম। এইটো প্ৰকৃততে আছেনে আৰু ইয়ে জাতীয় নাগৰিকত্বৰ ধাৰণাক সলনি কৰিব নেকি?


Daily Assam

# রাজনৈতিক তত্ত্ব

এই অধ্যায়টো অধ্যায়নৰ পিছত তুমি জানিব পাৰিবা—

- নাগৰিকত্ব মানেনো কি তাৰ বিশদ ব্যাখ্যা আগবঢ়োৱা, আৰু
- আজি নাগৰিকত্বৰ অৰ্থ য'ত প্ৰসাৰিত হৈছে বা য'ত প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে, তাৰো কিছুমান দিশ আলোচনা কৰা।

## ৬.১ পৰিচয় (Introduction)



নাগৰিকত্বক ৰাজনৈতিক সম্প্ৰদায় এটাৰ সম্পূৰ্ণ আৰু সমান সদস্যতা হিচাপে ব্যাখ্যা কৰা হৈছে। সমসাময়িক বিশ্বত, প্ৰত্যেকখন ৰাষ্ট্ৰই ইয়াৰ জনসাধাৰণক কিছু মান অধিকাৰ প্ৰদান কৰাৰ দৰে এক সমূহীয়া ৰাজনৈতিক পৰিচয়ো প্ৰদান কৰে। সেয়ে আমি যিখন ৰাষ্ট্ৰত বাস কৰোঁ তাৰ ওপৰত নিৰ্ভৰ কৰি আমি নিজকে ভাৰতীয় নতুবা জাপানী নতুবা জাৰ্মান হিচাপে চিনাকি দিওঁ। যেতিয়া তেওঁলোকে ভ্ৰমণ কৰে, তেতিয়া তেওঁলোকে নিজে বাস কৰা ৰাষ্ট্ৰখনৰ পৰা কিছুমান অধিকাৰ আশা কৰাৰ দৰে সহায় আৰু ৰক্ষণাবেক্ষণো বাঞ্ছাকৰে।

এখন ৰাষ্ট্ৰৰ সম্পূৰ্ণ সদস্যতাৰ গুৰুত্বক আমি তেতিয়াহে উপলব্ধি কৰিব পাৰো, যেতিয়া আমি পৃথিৱীৰ হাজাৰ হাজাৰ মানুহৰ সেই দুৰ্ভাগ্যক দেখিবলৈ পাওঁ— কিদৰে তেওঁলোকক কোনো ৰাষ্ট্ৰই সদস্যপদ প্ৰদান নকৰাৰ বাবে দুৰ্বিসহ জীৱন অতিবাহিত কৰি শৰ-ণাৰ্থী বা অবৈধ অনুপ্ৰৱেশকাৰী হিচাপে বাস কৰিবলগীয়া হৈছে। তেনেকুৱা লোকক



কোনো ৰাষ্ট্ৰই অধিকাৰৰ নিশ্চয়তা প্ৰদান নকৰে আৰু সাধাৰণতে এক ঠিকনাবিহীন জীৱন অতিবাহিত কৰে। তেওঁলোকৰ মতে, তেওঁলোকে বিচৰা ৰাষ্ট্ৰ এখনৰ সম্পূৰ্ণ সদস্যতা লাভ কৰাটোৱেই জীৱনৰ উদ্দেশ্য, যাৰ বাবে সংগ্ৰাম কৰিবলৈও প্ৰস্তুত; যিটো আজি আমি মধ্য প্ৰাচ্যৰ পেলেষ্টাইনীসকলৰ ক্ষেত্ৰত দেখিবলৈ পাইছো।

ৰাষ্ট্ৰভেদে নাগৰিকক প্ৰদান কৰা অধিকাৰৰ ভিন্নতা থাকিলেও প্ৰায়বোৰ গণতান্ত্ৰিক দেশতে আজিকালি কিছুমান উমৈহতীয়া অধিকাৰ প্ৰদান কৰা দেখা যায়। যেনে— ভোটাধিকাৰৰ দৰে ৰাজনৈতিক অধিকাৰ, বাক্ স্বাধীনতা বা বিশ্বাসৰ অধিকাৰৰ দৰে পৌৰ অধিকাৰ আৰু ন্যূনতম মজুৰিৰ অধিকাৰ অথবা শিক্ষাৰ অধিকাৰৰ দৰে আৰ্থ-সামাজিক অধিকাৰ। অধিকাৰ আৰু মৰ্যদাৰ সমতা নাগৰিকত্বৰ এক ন্যূনতম অধিকাৰ।



বৰ্তমান নাগৰিকে ভোগ কৰা প্ৰায়বোৰ অধিকাৰেই এক দীঘলীয়া সংগ্ৰামৰ মাজেদিহে লাভ কৰিছে। বিগত কালত কিছুমান আন্দোলন জনসাধাৰণে শক্তিশালী ৰাজতন্ত্ৰৰ বিৰুদ্ধে তেওঁলোকৰ স্বধীনতা আৰু অধিকাৰ সাব্যস্ত কৰাৰ বাবে সংগঠিত কৰিছিল। বহুতো ইউৰোপিয়ান দেশে তেনে আন্দোলনৰ সাক্ষ্য বহন কৰিছিল, যাৰ কিছুমান আছিল উগ্ৰবাদী। উদাহৰণস্বৰূপে, ১৭৮৯ চনৰ ফৰাচী বিপ্লৱৰ কথাকে উনুকিয়াব পাৰি। এছিয়া আৰু আফ্ৰিকাৰ উপনিৱেশবোৰত ঔপনিৱেশিক শাসকৰ বিৰুদ্ধে কৰা স্বাধীনতা সংগ্ৰামত সমান নাগৰিকত্বৰ দাবীও সংগ্ৰামৰ এটা অন্যতম অংশ আছিল। দক্ষিণ আফ্ৰিকাত সংখ্যালঘু শ্বেতবৰ্ণ শাসকৰ বিৰুদ্ধে সমান নাগৰিকত্বৰ দাবীত কৃষ্ণবৰ্ণৰ লোকসকলে এক দীঘলীয়া সংগ্ৰাম কৰিবলগীয়া হৈছিল। এইটো ১৯৯০ৰ দশকৰ আৰম্ভণিলৈকে চলি আছিল। সম্পূৰ্ণ সদস্যতা আৰু সমান অধিকাৰ প্ৰাপ্তিৰ বাবে পৃথিৱীৰ চুকে-কোণে এতিয়াও সংগ্ৰাম অব্যাহত আছে। তোমালোকে নিশ্চয় আমাৰ দেশত চলি থকা নাৰী আন্দোলন আৰু দলিত শ্ৰেণীৰ আন্দোলনৰ বিষয়ে অৱগত। তেওঁলোকৰ উদ্দেশ্য হৈছে তেওঁলোকৰ প্ৰয়োজনৰ লগতে সমান অধিকাৰ আৰু সুবিধাৰ বাবে চৰকাৰী নীতি নিৰ্ধাৰণত প্ৰভাৱান্বিত কৰিব পৰাকৈ জনসাধাৰণৰ মতামতৰ পৰিৱৰ্তন সাধন কৰা।



Daily Assam

# ৰাজনৈতিক তত্ত্ব



## ভাবি চাওঁ আহা

সপ্তদশ শতিকাৰ পৰা কুৰি শতিকাৰ কালছোৱাত ইউৰোপৰ শ্বেত বৰ্ণৰ লোকসকলে দক্ষিণ আফ্ৰিকাৰ কৃষ্ণবৰ্ণৰ লোকসকলৰ ওপৰত শাসন অব্যাহত ৰাখিছিল। ১৯৯৪ চনলৈ দক্ষিণ আফ্ৰিকাত চৰকাৰী নীতি গ্ৰহণৰ ক্ষেত্ৰত তলৰ বৰ্ণনাটো পঢ়ি চোৱাচোন—

শ্বেতবৰ্ণসকলৰ ভোটাধিকাৰ, নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ আৰু প্ৰতিনিধি নিৰ্বাচন কৰি চৰকাৰ গঠনত আগভাগ লোৱাৰ, সম্পত্তি আহৰণ আৰু দেশৰ ভিতৰত যিকোনো ঠাইলৈ যোৱাৰ অধিকাৰ আছিল। সেই অধিকাৰ কৃষ্ণবৰ্ণসকলৰ নাছিল। কৃষ্ণাঙ্গ আৰু শ্বেতাঙ্গসকলৰ বাবে পৃথক বাসভূমি নিৰ্ধাৰণ কৰা হৈছিল। শ্বেতবৰ্ণ বসতি প্ৰধান অঞ্চলত কাম কৰিবলৈ কৃষ্ণবৰ্ণৰ লোকসকলে অনুজ্ঞপত্ৰ ল'ব লাগিছিল। শ্বেতবৰ্ণৰ বাবে নিৰ্ধাৰিত এলেকাত তেওঁলোকে পৰিয়ালবোৰ ৰাখিব নোৱাৰিছিল। ভিন্ন বৰ্ণৰ মানুহৰ বাবে শিক্ষানুষ্ঠানবোৰো ভিন্ন আছিল।

- ❐ দক্ষিণ আফ্ৰিকাৰ কৃষ্ণাঙ্গসকলে সম্পূৰ্ণ আৰু সমান সদস্যপদ পাইছিল বুলি তুমি ভাবানে? যুক্তি দৰ্শোৱা।
- ❐ উপৰিউক্ত বৰ্ণনাই আমাৰ দক্ষিণ আফ্ৰিকাৰ বিভিন্ন গোষ্ঠীবোৰৰ মাজৰ সম্পৰ্কৰ কোনটো দিশ ক'ব বিচাৰে?

## আমি কৰোঁ আহা

তোমালোকৰ অঞ্চলত নাগৰিকে আনৰ সহায়ৰ বাবে বা অঞ্চলৰ উন্নয়নৰ বাবে কৰা উন্নয়নমুখী কাম-কাজবোৰ, নতুবা পৰিৱেশ ৰক্ষণাবেক্ষণৰ বাবে কৰা কাম-কাজবোৰৰ বিষয়ে ভাবাচোন। তোমালোকে কৰিব পৰা তাৰে কিছুমান কামৰ তালিকা প্ৰস্তুত কৰা।

যি হওঁক, নাগৰিকত্ব ৰাষ্ট্ৰ আৰু ইয়াৰ সদস্যবোৰৰ মাজৰ সম্পৰ্কতে সীমাবদ্ধ নহয়। এইটো নাগৰিকৰ পৰা নাগৰিকৰ মাজৰ সম্পৰ্কৰ উপৰি পৰস্পৰ আৰু সমাজৰ প্ৰতিও নাগৰিকৰ কিছুমান বাধ্যবাধকতাও জড়িত হৈ আছে। এইবোৰে কেৱল ৰাষ্ট্ৰই আৰোপ কৰা নীতিগত বাধ্যবাধকতাকে আৰোপ নকৰি সমূহীয়া জীৱনত অংশগ্ৰহণ তথা অৱদান আগবঢ়াবৰ বাবে কিছুমান নৈতিক বাধ্যবাধকতাও আৰোপ কৰে। তদুপৰি নাগৰিকসকলক দেশখনৰ সাংস্কৃতি আৰু প্ৰাকৃতিক সম্পদবোৰৰ উত্তৰাধিকাৰী আৰু ৰক্ষক হিচাপেও বিবেচনা কৰা হয়।

ৰাজনৈতিক ধাৰণা এটাক বুজাবৰ বাবে আটাইতকৈ উত্তম উপায়টো হৈছে সেইবোৰ দিশ লক্ষ্য কৰা, য'ত সমাজে সৰ্বসন্মতিক্ৰমে গ্ৰহণ কৰা ধাৰণাটোক সমাজৰ এটা অংশই তেওঁলোকৰ প্ৰয়োজন আৰু আশা-আকাংক্ষাবোৰ পূৰণ কৰাত ব্যৰ্থ হৈছে বুলি প্ৰতিবাদ কৰিছে।

### ৬.২ সম্পূৰ্ণ আৰু সমান সদস্যতা (Full and Equal Membership)



তোমালোকে কেতিয়াবা যদি জনপূৰ্ণ ৰে'ল বা গাড়ীৰে ভ্ৰমণ কৰিছা তেতিয়া নিশ্চয় অনুমান কৰিব পাৰিছা কিদৰে এজনে আনজনক আঁতৰাই নিজে ঠাইখিনি দখল কৰাৰ কাৰণে আৰু ভিতৰত সোমোৱাৰ বাবে যুদ্ধ কৰিবলগীয়া হৈছিল। লগে লগে 'ভিতৰুৱাল' (Insider) আৰু 'বহিৰাগত' (Outsider) সকলৰ মাজত এক বিভেদ গঢ়ি উঠিব, য'ত 'বহিৰাগত'সকলক ভাবুকি হিচাপে গণ্য কৰা হ'ব।

এনেধৰণৰ পৰিঘটনা প্ৰায়ে নগৰ, একোটা অঞ্চল আনকি কেতিয়াবা গোটেই ৰাষ্ট্ৰখনতে পৰিলক্ষিত হয়। কৰ্মসংস্থাপন, চিকিৎসা, শিক্ষা আদি আৰু মাটি বা পানী আদিৰ দৰে প্ৰাকৃতিক সম্পদবোৰ সীমিত হ'লে একেখন ৰাষ্ট্ৰৰে বাসিন্দা হোৱা সত্ত্বেও 'বহিৰাগতৰ' আগমনক বাধা দিয়াৰ বাবে দাবী উত্থাপিত হয়। তোমালোকে নিশ্চয় 'মুম্বাই মুম্বাইবাসীৰ' (Mumbai for Mumbaikars) দৰে শ্লোগানবোৰ শুনিছা, যিবোৰে অনুৰূপ আৱেগ-অনুভূতি প্ৰকাশ কৰে। এইধৰণৰ বহু ঘটনা ভাৰতবৰ্ষৰ লগতে পৃথিৱীৰ বিভিন্ন ঠাইত সংঘটিত হৈছে।

এইবোৰ পৰিঘটনাই প্ৰকৃততে সম্পূৰ্ণ আৰু সমান সদস্যতাই কি অৰ্থ প্ৰকাশ কৰে সেই প্ৰশ্নটো উত্থাপিত কৰে? এইটোৱে ইয়াকে বুজায় নেকি যে ৰাষ্ট্ৰখনৰ যি ঠাইত তেওঁলোকে বসবাস কৰে, শিক্ষা গ্ৰহণ কৰে নাইবা কাম কৰাৰ বাবে মনস্থ কৰে, তাৰ কাৰণেই তেওঁলোকে সমান অধিকাৰ আৰু সা-সুবিধা পাওক? ই ধনী-দুখীয়া নিৰ্বিশেষে সকলো নাগৰিকে সমানে কিছুমান অধিকাৰ আৰু সা-সুবিধা ভোগ কৰাটোকে বুজায় নেকি?

### মাৰ্টিন লুথাৰ কিং

১৯৫০ৰ দশকত মাৰ্কিন যুক্তৰাষ্ট্ৰৰ দক্ষিণাঞ্চলৰ প্ৰায়বোৰ প্ৰদেশতে শ্বেতবৰ্ণ আৰু কৃষ্ণবৰ্ণৰ লোকসকলৰ মাজত থকা অসমতাৰ বিৰুদ্ধে 'নাগৰিক অধিকাৰ আন্দোলন' (Civil Rights Movement) এটাই গা কৰি উঠিছিল। 'বৰ্ণবাদী আইন' (Segregation Law) নামেৰে এক ধৰণৰ বিশেষ আইনেৰে দক্ষিণৰ ৰাজ্যবোৰত এই অসমতা প্ৰতিষ্ঠা কৰিব বিচৰা হৈছিল, যাৰ জৰিয়তে কৃষ্ণবৰ্ণৰ লোকসকলক বহুতো সামাজিক আৰু ৰাজনৈতিক অধিকাৰৰ পৰা বঞ্চিত কৰা হৈছিল। এই বৰ্ণবাদী আইনবোৰে ৰে'লগাড়ী, বাছ, নাট্যগৃহ, হোটেল, ৰেষ্টুৰেণ্ট আদিত কৃষ্ণবৰ্ণ আৰু শ্বেতবৰ্ণ লোকৰ বাবে পৃথক ঠাইৰ দিহা কৰিছিল।

মাৰ্টিন লুথাৰ কিং (কনিষ্ঠ) আছিল এই আইনবোৰৰ বিৰুদ্ধে কৰা সংগ্ৰামৰ কৃষ্ণাঙ্গ নেতা। প্ৰচলিত বৰ্ণবাদী আইনৰ বিৰুদ্ধে কিঙে বহুতো যুক্তি আগবঢ়াইছিল। প্ৰথমতে, আত্ম-যোগ্যতা (Self-worth) আৰু মৰ্যাদাৰ ক্ষেত্ৰত পৃথিৱীৰ প্ৰত্যেকজন মানুহেই জাতি-বৰ্ণ নিৰ্বিশেষে সমান। দ্বিতীয়তে, কিঙে যুক্তি দৰ্শাইছিল যে বৰ্ণবাদী আইনবোৰ 'সামাজিক ব্যাধি'ৰ (Social teprosy) দৰে, কাৰণ এই আইনৰ দ্বাৰা নিৰ্যাতিতসকলে গভীৰ মানসিক আঘাত পায়।

কিঙে বৰ্ণবাদী আইনবোৰে কিদৰে শ্বেতবৰ্ণৰ লোকসকলৰ জীৱন নিৰ্বাহৰ মৰ্যাদাক লাঘৱ কৰিছিল, তাৰো বিশাদ যুক্তি দাঙি ধৰিছিল। তেওঁ তথ্য-প্ৰমাণসহকাৰে উদাহৰণ দাঙি ধৰিছিল। শ্বেতবৰ্ণৰ লোকসকলে কৃষ্ণবৰ্ণৰ লোকৰ প্ৰৱেশত বাধা দিবৰ বাবে আদালতৰ নিৰ্দেশ মতে কিছুমান সমূহীয়া উদ্যান বন্ধ কৰি দিছিল। একেদৰে, কৃষ্ণাঙ্গ খেলুৱৈক গ্ৰহণৰ বাবে অপাৰগতা দেখুওৱাৰ বাবে কিছুমান 'বেছবল' দল বন্ধ কৰিব লগা হৈছিল। তৃতীয়তে, বৰ্ণবাদী আইনবোৰৰ বাবে মানুহৰ মাজত এক কৃত্ৰিম বিভাজনৰ সৃষ্টি হৈছিল, যিটোৱে পৰস্পৰৰ মাজত একগোট

এই খণ্ডটোত আমি প্ৰথমে এই প্ৰশ্নবোৰৰ আলম লৈ নাগৰিকত্ব প্ৰকৃততে কি, তাক ব্যাখ্যা কৰাৰ চেষ্টা কৰিম।

আমাৰ দেশৰ লগতে আন বহু ৰাষ্ট্ৰই নাগৰিকক প্ৰদান কৰা এটা অধিকাৰ হৈছে মুক্ত বিচৰণৰ অধিকাৰ। শ্ৰমিক শ্ৰেণীৰ বাবে এই অধিকাৰৰ বিশেষ গুৰুত্ব আছে। কামৰ নাটনি হ'লে বনুৱাসকলে কামৰ সন্ধানত আন ঠাইলৈ যাব লগা হয়। কিছুমানে কামৰ সন্ধানত বিদেশলৈও যায়। কৌশলগত আৰু অকৌশলগত বনুৱাৰ কাৰণে আমাৰ দেশৰ বিভিন্ন অংশত চাহিদা বৃদ্ধি পাইছে। উদাহৰণস্বৰূপে তথ্য-প্ৰযুক্তি ক্ষেত্ৰৰ লগত জড়িত লোকসকলে বাংগালুৰুৰ দৰে মহানগৰীৰ ফালে ঢাপলি মেলিছে। দেশৰ সকলো অংশতে কেৰালাৰ ধাত্ৰীসকল উপলব্ধ হৈছে। নগৰৰ বৃহৎ গৃহ নিৰ্মাণ উদ্যোগবোৰে দেশৰ বিভিন্ন অংশৰ বনুৱাসকলক আকৰ্ষিত কৰিছে ৰাস্তা-ঘাটৰ দৰে আন্তঃগাঁথনি নিৰ্মাণ কৰা উদ্যোগবোৰৰ ক্ষেত্ৰতো একেটাই পৰিলক্ষিত হৈছে। তোমালোকে নিশ্চয় তোমালোকৰ ঘৰ বা বিদ্যালয়বোৰতো বিভিন্ন অঞ্চলৰ পৰা অহা তেনে লোকসকলক প্ৰত্যক্ষ কৰিছা।

তথাপি, প্ৰায়ে স্থানীয় লোকসকলে বাহিৰৰ পৰা অহা লোকসকলে পাব পৰা কামৰ বিৰুদ্ধে কিছুমান বাধা আৰোপ কৰা দেখা যায়। আনকি কেতিয়াবা মজুৰিৰ পৰিমাণো হ্ৰাস পায়। স্থানীয় লোকসকলৰ বাবে স্থানীয় ভাষা জনাসকলৰ বাবে কিছু কাম সীমাবদ্ধ ৰখাৰো কেতিয়াবা দাবী উত্থাপিত হৈ কাম কৰি দেশৰ উপকাৰ সাধনত ব্যাঘাত জন্মাইছিল। উপৰি উক্ত কাৰণবোৰৰ বাবেই কিঙে এইবোৰ আইন ৰদ কৰিবলৈ যুক্তি আগবঢ়াইছিল। এই বৰ্ণবাদী আইনবোৰৰ বিৰুদ্ধে তেওঁ এক শান্তিপূৰ্ণ আৰু অহিংস আন্দোলনৰ আহ্বান কৰিছিল। তেওঁ তেওঁৰ বক্তব্যবোৰৰ মাজৰ এটাত কৈছিল— 'আমি আমাৰ সৃষ্টিশীল প্ৰতিবাদী সত্বাক হিংসাত্মক কৰাটো অনুচিত'।

হ'ব পাৰে। ৰাজনৈতিক দলবোৰেও এই বিষয়টোত মাত মাতিব পাৰে। 'বহিৰাগত' সকলৰ বিৰুদ্ধে আৰোপিত বাধা-নিষেধে আনকি সংগঠিত হিংসাত্মক আন্দোলনৰ ৰূপ ল'ব পাৰে। ভাৰতবৰ্ষৰ প্ৰায়বোৰ অঞ্চলেই এই আন্দোলনৰ সাক্ষ্য বহন কৰিছে। এই আন্দোলনবোৰ ন্যায়সংগতনে?


অন্য ৰাষ্ট্ৰৰ স্থানীয় বাসিন্দাসকলে ভাৰতবৰ্ষৰ শ্ৰমিকসকলক বেয়া ব্যৱহাৰ কৰিলে আমি সকলোৱে ক্ৰোধিত হওঁ। কিছুমানে ভাবিব পাৰে যে দক্ষ আৰু শিক্ষিত শ্ৰমিকসকলে কামৰ সন্ধানত ঘূৰি ফুৰাৰ অধিকাৰ আছে। তেনেধৰণৰ শ্ৰমিকসকলক আকৰ্ষিত কৰিব পৰাৰ সামৰ্থ্য থকাৰ বাবেও ৰাষ্ট্ৰবোৰে গৌৰৱবোধ কৰিব পাৰে। কিন্তু যদিহে সেই অঞ্চলত কৰ্মসংস্থাপনৰ নাটনি অনুভূত হয়। তেতিয়া স্থানীয় বাসিন্দাসকলে 'বহিৰাগত'ৰ পৰা অহা প্ৰতিযোগিতাৰ পৰিপ্ৰেক্ষিতত ক্ৰোধান্বিত হ'ব পাৰে। মুক্ত বিচৰণৰ অধিকাৰে দেশৰ যিকোনো ঠাইত বাস কৰা বা কাম কৰাৰ অধিকাৰ প্ৰদান কৰেনে?

অন্য এটা লক্ষণীয় দিশ হ'ল যে দুখীয়া প্ৰব্ৰজনকাৰী শ্ৰমিক আৰু দক্ষ প্ৰব্ৰজনকাৰী শ্ৰমিকৰ প্ৰতি আমি কেতিয়াবা সুকীয়া সুকীয়া মনোভাব গ্ৰহণ কৰাটো। কৰ্ম-সংস্থাপনৰ সন্ধানত আমাৰ অঞ্চললৈ অহা দক্ষ আৰু পটু শ্ৰমিকক আমি যিদৰে সম্ভাষণ জনাওঁ সেইটো এজন দুখীয়া শ্ৰমিকৰ ক্ষেত্ৰত পৰিলক্ষিত নহয়। সেয়েহে প্ৰশ্ন হয়— এজন দক্ষ শ্ৰমিকৰ দৰে দুখীয়া আৰু অদক্ষ শ্ৰমিকজনেও দেশৰ যিকোনো অংশতে বাস কৰা বা কাম বা কৰাৰ অধিকাৰ পোৱাটো উচিতনে? এইবোৰেই আজিকালি 'সম্পূৰ্ণ আৰু সমান সদস্যতা'ৰ ক্ষেত্ৰত দেশৰ সকলো নাগৰিকৰে মাজত আলোচিত বিতৰ্কিত বিষয়বোৰৰ কিয়দাংশ।

গণতান্ত্ৰিক সমাজ এখনতো আনকি মাজে-সময়ে এনে বিবাদ উৎপত্তি হ'ব পাৰে। এই বিবাদবোৰ কি ধৰণে মীমাংসা কৰিব পৰা যাব? আমাৰ দেশৰ নাগৰিকৰ বাবে সংবিধান

Daily Assam

**ভগনীয়াৰ অবিহনে ভাৰতীয় নগৰীয়া মধ্যবিত্ত শ্ৰেণীৰ জীৱনৰ এটা দিন**



প্ৰদত্ত বাক্ স্বাধীনতাৰ এটা দিশ হৈছে প্ৰতিবাদ কৰাৰ অধিকাৰ। কিন্তু ইয়াৰ দ্বাৰা কাৰো জীৱন বা সম্পত্তি বা অন্য ৰাষ্ট্ৰৰ কোনো অন্যায় সাধিব নোৱাৰিব। নাগৰিকসকলে বিভিন্ন দল, গঠন কৰি প্ৰতিবাদ কৰি, সংবাদ মাধ্যম ব্যৱহাৰ কৰি, ৰাজনৈতিক দলবোৰক আহ্বান কৰি বা আদালতৰ ওচৰ চাপিও বিভিন্ন ৰাজহুৱা মতামত গ্ৰহণ আৰু চৰকাৰী নীতি নিৰ্ধাৰণত প্ৰভাৱান্বিত কৰিব পাৰে। আদালতেও বিষয়টোত মতামত ব্যক্ত কৰিব পাৰে বা চৰকাৰক বিষয়টো নিষ্পত্তিৰ বাবে আদেশ দিব পাৰে, যদিও এই প্ৰক্ৰিয়াটো লেহেমীয়া। ইয়ে কেতিয়াবা এক অভূতপূৰ্ব সাফল্যও আনিব পাৰে। যদি প্ৰত্যেকজন নাগৰিককে সম্পূৰ্ণ আৰু সমান সদস্যতা দিয়াটো মনস্থ কৰি কিছুমান নিৰ্দিষ্ট নীতি-নিৰ্দেশনাৰে আগবঢ়া যায়, তেতিয়া সমাজত মাজে-সময়ে উদ্ভৱ হোৱা বিভিন্ন সমস্যাবোৰৰ এক গ্ৰহণযোগ্য সিদ্ধান্তত উপনীত হোৱাটো সহজসাধ্য হ'ব। গণতন্ত্ৰৰ এটা মূল নীতি হৈছে যে শক্তি প্ৰয়োগৰ বিপৰীতে এনেধৰণৰ বিবাদবোৰ বুজা-পৰা আৰু আলোচনাৰ মাজেৰে মীমাংসা কৰিব লাগিব। এইটো নাগৰিকত্বৰ বাধ্যবাধকতাৰ এটা অন্যতম।



**ভাবি চাওঁ আহা**

গোটেই দেশৰ নাগৰিকৰ বাবে মুক্ত বিচৰণৰ অধিকাৰ আৰু জীৱিকাৰ অধিকাৰৰ সপক্ষে আৰু বিপক্ষে থকা বিভিন্ন যুক্তিবোৰ পৰীক্ষা কৰা।

কাম-কাজ আৰু সা-সুবিধাৰ ক্ষেত্ৰত দীৰ্ঘদিন ধৰি এটা অঞ্চলত বাস কৰি থকা লোকসকলে অগ্ৰাধিকাৰ পায়নে?

নতুবা, বৃত্তিমূলক মহাবিদ্যালয়বোৰত নামভৰ্তিৰ ক্ষেত্ৰত বাহিৰৰ ৰাষ্ট্ৰৰ শিক্ষাৰ্থীসকলৰ বাবে নিৰ্দিষ্টসংখ্যক আসন সংৰক্ষণৰ বাবে ৰাষ্ট্ৰবোৰক অনুমতি দিয়াটো উচিতনে?

## ৬.৩ সমান অধিকাৰ (Equal Rights)

এই খণ্ডটোত আমি নাগৰিকত্বৰ অন্য এটা দিশ সম্পৰ্কে আলোকপাত কৰিম। সম্পূৰ্ণ আৰু সমান সদস্যতা বিষয়টোৱে ধনী-দুখীয়া সকলো নাগৰিককে ৰাষ্ট্ৰই কিছুমান ন্যূনতম অধিকাৰ আৰু জীৱন ধাৰণৰ সা-সুবিধা নিশ্চিত কৰাটোকে বুজায়নে? এই দিশটো আলোচনা কৰাৰ বাবে আমি নগৰৰ দুখীয়া শ্ৰেণীৰ লোকসকলক লক্ষ্য কৰিম।

# ৰাজনৈতিক তত্ত্ব

**নগৰ অঞ্চলৰ দুখীয়াসকলৰ সমস্যাবোৰৰ সৈতে মোকাবিলা কৰাটোৱেই আজিৰ চৰকাৰৰ আগত দেখা দিয়া এক জৰুৰী সমস্যা।**

**ভাৰতবৰ্ষৰ প্ৰত্যেকখন মহানগৰীৰে বস্তি আৰু ন-ভগনীয়া অঞ্চলত যথেষ্টসংখ্যক লোকে বাস কৰে। যদিও তেওঁলোকে প্ৰয়োজনীয় আৰু উপযোগী কামবোৰ প্ৰায়ে কম মজুৰিতে সম্পাদন কৰিব পাৰে; কিন্তু তথাপি তেওঁলোকক চহৰৰ অন্য লোকসকলে অনাকাংক্ষিত ব্যক্তি হিচাপেহে গণ্য কৰে। নগৰৰ সম্পদবোৰৰ অতিমাত্ৰা ব্যৱহাৰ নাইবা নগৰত অপৰাধ আৰু বিভিন্ন বেমাৰ-আজাৰ বিয়পোৱাৰ বাবে তেওঁলোকক দোষী সাব্যস্ত কৰা হয়।**

## নাগৰিকত্ব, সমতা আৰু অধিকাৰ

নাগৰিকত্ব ঘাইকৈ এটা বিধিগত ধাৰণাই নহয়। এইটো সমতা আৰু অধিকাৰৰ বিস্তৃত ধাৰণাৰ লগত ওতপ্ৰোতভাৱে জড়িত বিষয়। এই সম্পৰ্কে সৰ্বজনগৃহীত ব্যাখ্যা ব্ৰিটিছ সমাজতত্ত্ববিদ টি. এইচ. মাৰ্চালে (১৮৯৩-১৯৮১)আগবঢ়াইছিল। তেখেতৰ গ্ৰন্থ 'নাগৰিকত্ব আৰু শ্ৰেণী সমাজ' (Citizenship and Social class) (১৯৫০) নাগৰিকত্বক 'এটা সম্প্ৰদায়ৰ সম্পূৰ্ণ সদস্যাসকলক প্ৰদান কৰা এক মৰ্যাদা' হিচাপে ব্যাখ্যা কৰিছিল। এই মৰ্যাদা লাভ কৰা সকলোৱেই অধিকাৰ আৰু কৰ্তব্যৰ ক্ষেত্ৰত সমানে পদমৰ্যাদা উপভোগ কৰিব পাৰে।

(A status bestowed on those who are full members of comunity. All who possers the status are with respect to the rights and duties with which the status is endowed.)

মাৰ্চালৰ নাগৰিকত্ব মূল ধাৰণাটো 'সমতা'ৰ ভেটিত প্ৰতিষ্ঠিত। এইটোৱে দুটা দিশৰ কথা ব্যক্ত কৰে। প্ৰথমে, প্ৰদত্ত অধিকাৰ আৰু কৰ্তব্যবোৰৰ গুণগত মান উন্নত হয়। দ্বিতীয়তে, যাক এইবোৰ প্ৰদান কৰা হয়, তাৰ সংখ্যাগত পৰিমাণো বৃদ্ধি পায়।

মাৰ্চালে নাগৰিকত্বক তিনি ধৰণৰ অধিকাৰৰ লগত জড়িত কৰিছিল— পৌৰ, ৰাজনৈতিক আৰু সামাজিক।

বস্তি অঞ্চলবোৰৰ অৱস্থা প্ৰায়ে শিহৰণকাৰী। এটা সৰু জুপুৰিতে কোনো ব্যক্তিগত শৌচালয়, প্ৰস্ৰাৱাগাৰ, খোৱাপানী আদিৰ ব্যৱস্থা নোহোৱাকৈ বহু লোকে একেলগে বাস কৰে। বস্তি অঞ্চলত জীৱন আৰু সম্পত্তি কোনোটোৱেই নিৰাপদ নহয়। যি হওক বস্তি অঞ্চলৰ শ্ৰমিকসকলে তেওঁলোকৰ শ্ৰমৰ জৰিয়তে দেশৰ অৰ্থনীতিলৈ প্ৰভূত অৰিহণা আগবঢ়ায়। তেওঁলোক ফেৰীৱালা, ক্ষুদ্ৰ ব্যৱসায়ী, মেতৰ বা ঘৰুৱা লগুৱা, কাৰিকৰ আদি বিভিন্ন বৃত্তিৰ লগত জড়িত। বেত শিল্প, দৰ্জী আদি ব্যৱসায়ৰ লগত জড়িত লোকসকল বস্তি অঞ্চলৰ পৰাই ওলাই আহে। শৌচাগাৰ, পানী

যোগান আদি সেৱাসমূহত যোগান ধৰাৰ বাবে বস্তি অঞ্চলত সম্ভৱতঃ কমকৈ খৰচ কৰা হয়।

নগৰ অঞ্চলৰ দৰিদ্ৰ লোকসকলৰ অৱস্থাৰ বিষয়ে চৰকাৰ, বেচৰকাৰী সংগঠন আৰু অন্যান্য সংস্থাসমূহৰ মাজত; আনকি বস্তি অঞ্চলৰ বাসিন্দা সকলৰ মাজতো সজাগতা ক্ৰমান্বয়ে বৃদ্ধি পাইছে। উদাহৰণস্বৰূপে, ২০০৪ চনৰ জানুৱাৰী মাহত নগৰ অঞ্চলৰ পদপথৰ ব্যৱসায়ীসকলৰ বাবে এখন ৰাষ্ট্ৰীয় আঁচনি গ্ৰহণ কৰা হৈছিল। ডাঙৰ ডাঙৰ মহানগৰীবোৰত লাখ লাখ পদপথৰ ব্যৱসায়ী আছে আৰু তেওঁলোকে আৰক্ষী আৰু নগৰ কৰ্তৃপক্ষৰ পৰা প্ৰায়ে হাৰাশাস্তিৰ সন্মুখীন হয়। এই ৰাষ্ট্ৰীয় নীতিৰ জৰিয়তে তেওঁলোকে যেতিয়ালৈকে চৰকাৰী নীতি-নিয়ম মানি চলিব, তেতিয়ালৈকে তেওঁলোকৰ ব্যৱসায়ক স্বীকৃতি দিয়াৰ লগতে কোনো বাধা-বিঘিনি নোহোৱাকৈ ব্যৱসায় চলাই নিয়াৰ বাবে ব্যৱস্থা কৰা হৈছিল।

নাগৰিক অধিকাৰে ব্যক্তিৰ জীৱন, স্বাধীনতা আৰু সম্পত্তিক সুৰক্ষা প্ৰদান কৰে। ৰাজনৈতিক অধিকাৰে ব্যক্তিক দেশৰ শাসন প্ৰক্ৰিয়াত জড়িত হোৱা সুযোগ প্ৰদান কৰে। সামাজিক অধিকাৰে ব্যক্তিক শিক্ষা আৰু সংস্থাপনৰ সুযোগ প্ৰদান কৰে। এই সকলোবোৰে এজন ব্যক্তিৰ এক মৰ্যাদাপূৰ্ণ জীৱন নিৰ্বাহ সম্ভৱপৰ কৰি তোলে।

মাৰ্চালে শ্ৰেণী সমাজক এক 'অসমান ব্যৱস্থা' (System inequality) হিচাপে অভিহিত কৰিছিল। নাগৰিকত্বই শ্ৰেণীগত বৈষম্যৰ বিপৰীতে এক সমতাপূৰ্ণ ব্যৱস্থাক নিশ্চিত কৰে। এইদৰে নাগৰিকত্বই এক ঐক্যবদ্ধ মিলাপ্ৰীতিৰ সম্প্ৰদায় এটা সৃষ্টিত অৰিহণা যোগায়।

১৯৮৫ চনত সমাজকৰ্মী Olga Tellis- এ ব'ম্বে পৌৰ নিগমৰ বিৰুদ্ধে দাখিল কৰা এক জনস্বাৰ্থজড়িত আবেদনৰ (PIL) ভিত্তিত উচ্চতম ন্যায়ালয়ে বম্বেৰ বস্তি অঞ্চলত বাস কৰা লোক সকলৰ অধিকাৰৰ সপক্ষে এক ঐতিহাসিক ৰায় দিছিল। কৰ্মস্থলীৰ ওচৰে-পাঁজৰে থকা-লোৱাৰ কোনো বিকল্প ব্যৱস্থা নাথাকিলে বস্তি অঞ্চল বা পথৰ কাষতে থকাৰ বাবে এই আবেদনত দাবী উত্থাপন কৰা হৈছিল। যদি তেওঁলোকক বলপূৰ্বকভাৱে খেদি পঠাই তেতিয়া তেওঁলোকৰ উপাৰ্জনৰ পথ বন্ধ হৈ যাব। উচ্চতম ন্যায়ালয়ে ৰায়দান কৰি কৈছিল— "সংবিধানৰ ২১-নং অনুচ্ছেদত নিশ্চিত কৰা বসবাসৰ অধিকাৰে জীৱিকা অৰ্জনৰ অধিকাৰকো অন্তৰ্ভুক্ত কৰে। সেয়েহে যদি বস্তি অঞ্চলৰ বাসিন্দাসকলক খেদি পঠিওৱা হয় তেনেহ'লে তেওঁলোকক তাৰ আগতে বসবাসৰ অধিকাৰৰ আউটিত বিকল্প বাসস্থানৰ ব্যৱস্থা কৰি দিব লাগিব।

বস্তি অঞ্চলৰ বাসিন্দাসকলে তেওঁলোকৰ অধিকাৰ সম্পৰ্কে সজাগ হৈছে আৰু দাবী উত্থাপনৰ বাবে সংগঠিত হৈ আগবাঢ়ি আহিছে। তেওঁলোকে কেতিয়াবা

আনকি ন্যায়ালয়ৰো কাষ চাপিছে। ভোটদানৰ দৰে ৰাজনৈতিক অধিকাৰৰ পৰাও তেওঁলোক বঞ্চিত হৈ থাকিব লগা হৈছে। কাৰণ ভোটাৰ তালিকাত অন্তৰ্ভুক্তৰ বাবে প্ৰয়োজনীয় স্থায়ী ঠিকনাৰ আৰু এজন ন-ভগনীয়া অঞ্চলত বাস কৰা বা পথত বাস কৰা লোকৰ বাবে এইটো আগবঢ়োৱা কঠিন হৈ পৰিব পাৰে।

আমাৰ সমাজৰ অৱহেলিত আন সম্প্ৰদায়বোৰৰ মাজত জনজাতীয় লোকসকল আৰু অৰণ্যাঞ্চলত বাস কৰা লোকসকলো অন্যতম। এই লোকসকলৰ জীৱন নিৰ্বাহ অৰণ্য আৰু অন্যান্য প্ৰাকৃতিক সম্পদবোৰৰ উপলব্ধতাৰ ওপৰত নিৰ্ভৰশীল। ক্ৰমবৰ্ধিত জনসংখ্যাৰ হেঁচাত বাসভূমি আৰু সম্পদৰ অন্বেষণৰ বাবে এই লোকসকলৰ বহুতৰে জীৱন আৰু জীৱিকালৈ সংশয় নামি আহিছে। ব্যৱসায়িক উদ্দেশ্যে অৰণ্য নতুবা উপকূল অঞ্চলত সঞ্চিত হৈ থকা প্ৰাকৃতিক সম্পদবোৰ আহৰণৰ যি প্ৰৱণতা, তাৰ বাবেও বনাঞ্চলবাসী বা জনজাতীয় লোকসকলৰ জীৱন আৰু জীৱিকাৰ প্ৰতি ভাবুকি পৰিলক্ষিত হৈছে, যিটো পৰ্যটন উদ্যোগৰ ক্ষেত্ৰতো হ'ব পাৰে। দেশখনৰ প্ৰগতি ব্যাহত নোহোৱাকৈ কেনেকৈ একে সময়তে এই লোকসকলক লগতে তেওঁলোকৰ বাসভূমিক সুৰক্ষা দিব পাৰি, তাৰ উপায় উদ্ভাৱনত চৰকাৰ ব্যস্ত। এইটো এনে এটা বিষয়, যিটোৱে অকল জনজাতি লোকসকলকে নহয় সমগ্ৰ জনগণকে ক্ষতি কৰিব।

কোনো এখন চৰকাৰৰ বাবেই প্ৰত্যেক ব্যক্তিৰ বাবে সমান অধিকাৰ আৰু সা-সুবিধা নিশ্চিত কৰাটো সহজসাধ্য নহ'ব। ভিন্ন সম্প্ৰদায়ৰ মানুহৰ প্ৰয়োজন আৰু সমস্যাও ভিন্ন হ'ব আৰু এটা সম্প্ৰদায়ৰ অধিকাৰ লগত আন এটা সম্প্ৰদায়ৰ অধিকাৰ ক্ষেত্ৰত সংঘাতো আহিব পাৰে। নাগৰিকৰ সমান অধিকাৰে এইটো নুসূচায় যে সকলোৰে বাবে একে ধৰণৰ নীতিকে গ্ৰহণ কৰিব লাগিব। কাৰণ মানুহ ভেদে প্ৰয়োজনৰ ভিন্নতাও আহি পৰিব। যিহেতু নীতিবোৰ সকলোৰে ক্ষেত্ৰত একেধৰণে প্ৰযোজ্য হোৱাকৈ গ্ৰহণ কৰাটোৱেই উদ্দেশ্য নহয়, বৰং মানুহৰ মাজত সমতা স্থাপনৰ বাবেহে গ্ৰহণ কৰা হয়, সেয়ে নীতি গ্ৰহণৰ সময়ত সকলো শ্ৰেণীৰ লোকৰে প্ৰয়োজন আৰু দাবীক গুৰুত্ব দিয়াটো নিতান্তই প্ৰয়োজনীয়।



এই আলোচনাটোৰ পৰা এইটোৱে প্ৰতিপন্ন হ'ল যে পৰিৱৰ্তনশীল বিশ্বৰ পৰিৱেশ,

অৰ্থনীতি আৰু সমাজভেদে নাগৰিকত্বৰ ধাৰণাটোৱে বেলেগ বেলেগ অৰ্থ অধিকাৰৰ ব্যাখ্যা দাবী কৰে। নাগৰিকত্ব সম্পৰ্কীয় আইনবোৰ কেৱল মাত্ৰ আৰম্ভণিহে, আৰু আইনৰ ব্যাখ্যাবোৰ প্ৰায়েই পৰিৱৰ্তনশীল। উত্থাপিত সকলোবোৰ সমস্যাৰে গ্ৰহণযোগ্য সমাধান উপলব্ধ নহ'লেও সমান নাগৰিকত্বই সকলোৰে বাবে অধিকাৰ আৰু নিৰাপত্তা নিশ্চিত হোৱাকৈ চৰকাৰী নীতি নিৰ্ধাৰণ কৰাত গুৰুত্ব প্ৰদান কৰে।



### ভাবি চাও আহা

ভূমি বিতৰণ সম্পৰ্কীয় জিম্বাবৱেৰ চৰকাৰী তথ্য অনুসৰি, প্ৰায় ৫,৫০০ শ্বেত বৰ্ণ পৰিয়ালে ৩২ শতাংশ কৃষিভূমি অধিকাৰ কৰি আছে। যিটো প্ৰায় ১০ মিলিয়ন হেক্টৰ। প্ৰায় এক মিলিয়ন কৃষ্ণবৰ্ণৰ কৃষক পৰিয়ালে মাত্ৰ ১৬ মিলিয়ন হেক্টৰ কৃষিভূমি অধিগ্ৰহণ কৰি আছে যিটো প্ৰায় ৩৮ শতাংশ। সেইদৰে শ্বেতবৰ্ণৰ লোকসকলে অধিগ্ৰহণ কৰি থকা মাটিবোৰ সাৰুৱা আৰু কৃষিৰ উপযোগী, য'ত কৃষ্ণবৰ্ণৰ লোকসকলে অধিগ্ৰহণ কৰি থকা মাটিবোৰ অসাৰুৱা আৰু কৃষিৰ অনুপযোগী। মাটিৰ মালিকীস্বত্বৰ ক্ষেত্ৰত এইটো প্ৰায় স্পষ্টভাৱে পৰিলক্ষিত হয় যে প্ৰায় এক শতিকাৰ আগতে শ্বেতবৰ্ণৰ মানুহবোৰে ওচৰৰ থলুৱা মানুহবোৰৰ পৰা কৃষি উপযোগী মাটিবোৰ অধিগ্ৰহণ কৰি লৈছিল। বহু প্ৰজন্ম ধৰি শ্বেতবৰ্ণৰ লোকসকল জিম্বাবৱেত বাস কৰি আছে আৰু তেওঁলোকে নিজকে জিম্বাবৱেবাসী বুলি ভাবে। জিম্বাবৱেত শ্বেতবৰ্ণৰ জনসংখ্যা মুঠ জনসংখ্যাৰ মাত্ৰ ০.০৬ শতাংশ। ১৯৯৭ চনত জিম্বাবৱেৰ ৰাষ্ট্ৰপতি মুগাবে (Mugabe) ১,৫০০খন ফাৰ্ম গ্ৰহণৰ আঁচনি ঘোষণা কৰিছিল।

নাগৰিকত্বৰ ধাৰণাৰ পৰা জিম্বাবৱেৰ কৃষ্ণাঙ্গ আৰু শ্বেতাঙ্গসকলৰ দাবীবোৰ সমৰ্থন বা অগ্ৰাহ্য কৰাৰ বাবে তোমালোকে কি যুক্তি ব্যৱহাৰ কৰিবা?

### আমি কৰো আহা

তোমালোকৰ বিদ্যালয় বা ঘৰৰ নিকটৱৰ্তী তিনিটা শ্ৰমিক পৰিয়ালৰ শ্ৰমৰ সমীক্ষা কৰি চোৱাচোন। তেওঁলোকৰ জীৱন সম্পৰ্কীয় সবিশেষ তথ্যবোৰ সংগ্ৰহ কৰা। তেওঁলোকৰ পূৰ্বৰ বাসস্থান ক'ত আছিল? কেতিয়া আৰু কিয় ইয়ালৈ আহিছিল? তেওঁলোকে ক'ত বাস কৰে? কিমানজন মানুহ একেলগে থাকে? তেওঁলোকৰ উপলব্ধ সা-সুবিধাবোৰ কি কি? তেওঁলোকৰ ল'ৰা-ছোৱালী বিদ্যালয়লৈ যায়নে?

## ৬.৪ নাগৰিক আৰু ৰাষ্ট্ৰ (Citizen and Nation)

জাতি ৰাষ্ট্ৰৰ ধাৰণাটো আধুনিক সৃষ্টি। জাতি ৰাষ্ট্ৰৰ সাৰ্বভৌমত্ব আৰু নাগৰিকৰ গণতান্ত্ৰিক অধিকাৰৰ সৰ্বপ্ৰথম ধাৰণা ১৭৮৯ চনত ফৰাচী বিপ্লৱীসকলৰ দ্বাৰা উত্থাপিত হৈছিল। জাতি ৰাষ্ট্ৰই দাবী কৰিছিল যে তেওঁলোকৰ চাৰিসীমা অকল কোনো ভৌগোলিক সীমাৰ দ্বাৰা নিৰ্ধাৰিত নহয়; এক সুনিৰ্দিষ্ট সংস্কৃতি আৰু সমিলমিলৰ ইতিহাসৰ দ্বাৰাহে নিৰ্ধাৰিত হয়। জাতীয় পৰিচয় আন বহুতৰ লগতে কিছুমান সুনিৰ্দিষ্ট প্ৰতীক যেনে— জাতীয় পতাকা, জাতীয় সংগীত, জাতীয় ভাষা নতুবা কিছুমান নিৰ্দিষ্ট উৎসৱ আদিৰ জৰিয়তেহে প্ৰকাশিত হয়।

বহুতো আধুনিক ৰাষ্ট্ৰই বিভিন্ন ধৰ্ম, ভাষা আৰু সাংস্কৃতিক পৰম্পৰাৰ লোককো সামৰি লয়। কিন্তু এখন গণতান্ত্ৰিক ৰাষ্ট্ৰৰ জাতীয় পৰিচয় ৰাষ্ট্ৰখনৰ সকলো জনগণে উপভোগ কৰিব পৰা এক ৰাজনৈতিক পৰিচয়ৰ মাজেদিহে প্ৰকাশিত হোৱা বুলি ধৰি লোৱা হয়। গণতান্ত্ৰিক ৰাষ্ট্ৰ এখনত সাধাৰণতে জনসাধাৰণক যিমান সম্ভৱ গোট হিচাপে চিনাকি দিব বিচৰা হয়; যাৰ জৰিয়তে জনসাধাৰণে নিজকে ৰাষ্ট্ৰখনৰ এক অংশীদাৰ বুলি অনুভৱ কৰিব পাৰে। কিন্তু বাস্তৱতে প্ৰায়বোৰ ৰাষ্ট্ৰই তেওঁলোকৰ চিনাকি এনেধৰণে দিব বিচাৰে যাৰ জৰিয়তে কিছু অংশই তেওঁলোকক ৰাষ্ট্ৰৰ আনসকলতকৈ পৃথক বুলি সহজে অনুভৱ কৰিব পাৰে। নাগৰিকত্ব যে কিছুমানৰ বাবেহে, সকলোৰে বাবে নহয় ইয়ে এইটো ৰাষ্ট্ৰখনৰ বাবে সহজবোধ্য কৰি তোলে। আন ৰাষ্ট্ৰৰ দৰে আমেৰিকাৰ ক্ষেত্ৰটো এইটো সত্য বুলি বিবেচিত হৈছে, য'ত বহিৰাগত ভৰপূৰ হৈ আছে।

উদাহৰণস্বৰূপে, ফ্ৰান্সে নিজকে এখন ধৰ্মনিৰপেক্ষ আৰু সমভাবাপন্ন দেশ হিচাপে দাবী কৰে। ইয়াত অকল ইউৰোপীয় মূলৰ লোকসকলেই নহয় উত্তৰ আফ্ৰিকাৰ দৰে আন বহু ঠাইৰ পৰা অহা লোকসকলকো অন্তৰ্ভুক্ত কৰে। সংস্কৃতি আৰু ভাষা হৈছে জাতীয় পৰিচয়ৰ বৈশিষ্ট্য আৰু ৰাজহুৱা জীৱনত সকলো নাগৰিককেই এইক্ষেত্ৰত এক হিচাপে গণ্য কৰা হয়। তথাপি তেওঁলোকে ব্যক্তিগত জীৱনত তেওঁলোকৰ ব্যক্তিগত বিশ্বাস আৰু অভ্যাসবোৰ বৰ্তাই ৰাখিব পাৰে। যদিও এইটো যুক্তিসংগত যেন দেখা যায়, তথাপি ৰাজহুৱা মানে কি আৰু ব্যক্তিগত মানে

কি সেইটো নিৰ্ধাৰণ কৰাটো সহজসাধ্য নহ'ব, যাৰ ফলত কিছুমান বিবাদৰ সূত্ৰপাত হব। যদিও ধৰ্মীয় বিশ্বাসবোৰক ব্যক্তিগত বিষয় হিচাপে গণ্য কৰা হয়, কিন্তু কেতিয়াবা ধৰ্মীয় প্ৰতীক আৰু অভ্যাসবোৰ ৰাজহুৱা জীৱনলৈ প্ৰৱেশ ঘটিব পাৰে। তোমালোকে নিশ্চয় শুনিছা যে ফ্ৰান্সৰ স্কুলৰ শিখ ধৰ্মীয় ল'ৰাবোৰৰ বাবে পাগুৰি আৰু মুচলমান ছোৱালীবোৰৰ বাবে বোৰ্খা বিদ্যালয়ৰ ইউনিফৰ্মৰ লগত তেওঁলোকে পিন্ধাৰ দাবী উঠিছিল। ৰাষ্ট্ৰৰ শিক্ষাৰ দৰে ৰাজহুৱা বিষয়ত ধৰ্মীয় ধ্যান-ধাৰণাই হস্তক্ষেপ কৰিব বুলি কিছুমান বিদ্যালয়ে ইয়াৰ অনুমতি দিয়া নাছিল। যিবোৰ ধৰ্মত সেই নীতি-নিয়মবোৰ নাছিল, স্বাভাৱিকতে তেওঁলোকে সেইবোৰ সমস্যাৰ সন্মুখীন হোৱা নাছিল। জাতীয় সংস্কৃতিৰ লগত এক হৈ যোৱাটোৱেই সকলোৰে বাবে মংগলজনক হ'ব।

দেশ ভেদে নতুন আবেদনকাৰীক নাগৰিকত্ব প্ৰদানৰ মাপকাঠী বেলেগ বেলেগ হব। ইজৰাইল বা জাৰ্মানীৰ দৰে ৰাষ্ট্ৰবোৰত নাগৰিকত্ব প্ৰদানৰ ক্ষেত্ৰত ধৰ্ম, নৃগোষ্ঠীয় চিনাকি আদি কাৰকবোৰে অগ্ৰাধিকাৰ পাব। তুৰ্কীৰ পৰা আহি এসময়ত জাৰ্মানীত কাম কৰিবৰ বাবে উদগনি যোগোৱা শ্ৰমিকসকলৰ ল'ৰা-ছোৱালীবোৰক জাৰ্মানীৰ নাগৰিকত্ব প্ৰদানৰ বাবে নেৰানেপেৰা দাবী তুলি আহিছে, যিবোৰ ল'ৰা-ছোৱালী জাৰ্মানীতে জন্ম হৈ ডাঙৰ-দীঘল হৈছে। এই লৈ বৰ্তমানেও তৰ্ক-বিতৰ্ক চলি আছে। এইবোৰ নাগৰিকত্ব প্ৰদানৰ ক্ষেত্ৰত আৰোপ কৰা কিছুমান বাধা-নিষেধৰ কেইটামান মাত্ৰ উদাহৰণহে। আনকি এনে নীতি নিজকে উদাৰ বুলি দাবী কৰা কিছুমান গণতান্ত্ৰিক দেশতো চলি আছে।

ভাৰতবৰ্ষই নিজকে ধৰ্মনিৰপেক্ষ, গণতান্ত্ৰিক জাতি হিচাপে চিনাকি দিয়ে। স্বাধীনতাৰ বাবে চলা আন্দোলন ব্যাপক পৰিসৰৰ আছিল আৰু বিভিন্ন অঞ্চলৰ ধৰ্ম-সংস্কৃতিৰ লোকক ঐক্যবদ্ধ কৰাৰ বাবে বহু ভবা-চিন্তা কৰিবলগীয়া হৈছিল। ১৯৪৭ চনত মুছলীম লীগৰ লগত থকা বিভেদ সমাধান কৰিব নোৱৰা বাবে দেশ দ্বিখণ্ডিত হৈছিল। যদিও এইটোৱেই ভাৰতীয় জাতীয় নেতাসকলক তেওঁলোকে প্ৰতিষ্ঠা কৰিব বিচৰা ধৰ্মনিৰপেক্ষ আৰু সমভাবাপন্ন গুণসম্পন্ন ৰাষ্ট্ৰ গঠনৰ যি লক্ষ্য তাক বেছি সুদৃঢ় কৰি তুলিছিল। এই দৃঢ়তা ভাৰতীয় সংবিধানতো লিপিবদ্ধ কৰা হৈছে।

ভাৰতীয় সংবিধানে এখন বহুধাবিভক্ত সমাজত শৃংখলা আনিবলৈ চেষ্টা কৰিছিল। এইবোৰৰ কিছুমান হৈছে— অনুসূচিত জাতি আৰু জনজাতি, পূৰ্বতে সমান অধিকাৰ ভোগ নকৰা বহু মহিলা, আন্দামান নিকোবৰ দ্বীপপুঞ্জৰ বহু সম্প্ৰদায়ক

## ৬.৫ সাৰ্বজনীন নাগৰিকত্ব (Universal Citizenship)

যেতিয়া আমি শৰণাৰ্থী বা অবৈধ অনুপ্ৰৱেশকাৰীৰ কথা ভাবো, তেতিয়া আমাৰ মনত বহুতো প্ৰতিচ্ছবি ভাহি উঠে। এছিয়া বা আফ্ৰিকাৰ মানুহবোৰে ইউৰোপ বা আমেৰিকাত প্ৰৱেশ কৰাত সহায়ক হোৱাকৈ দালালক টকা দিয়াটো এই প্ৰতিচ্ছবিবোৰৰ এখন হ'ব পাৰে। বিপদৰ আশংকা বেছি হ'লেও তেওঁলোকে সেইটো কৰাৰ চেষ্টা কৰে। যুদ্ধ নাইবা দুৰ্ভিক্ষৰ বাবে স্থানান্তৰিত হোৱা মানুহবোৰো আন এক প্ৰতিচ্ছবি হ'ব পাৰে। এইধৰণৰ দৃশ্যবোৰ দূৰদৰ্শনত প্ৰায়েই পৰিলক্ষিত হয়। ছুদানৰ দাৰফুৰ অঞ্চলৰ শৰণাৰ্থী, পেলেষ্টাইনী, বাৰ্মীজ, বাংলাদেশী শৰণাৰ্থী ইত্যাদি বহুতো উদাহৰণ আছে। নিজ দেশখনে বা ওচৰ-চুবুৰীয়া দেশবোৰে এই লোকসকলক শৰণাৰ্থী হ'বলৈ বাধ্য কৰাইছে।

আমি প্ৰায়ে ভাবি লওঁ যে এখন ৰাষ্ট্ৰৰ সম্পূৰ্ণ সদস্যতা সেই দেশখনত সাধাৰণতে বাস কৰা আৰু কাম কৰা সকলো লোকৰেই প্ৰাপ্ত। যিদৰে নাগৰিকত্বৰ বাবে কিছুমানে আবেদন কৰে। কিন্তু যদিও বহু ৰাষ্ট্ৰই সাৰ্বজনীন আৰু বহুমুখী নাগৰিকত্বৰ ধাৰণাক সমৰ্থন কৰে, তথাপি নাগৰিকত্ব প্ৰদানৰ ক্ষেত্ৰত প্ৰতিখন ৰাষ্ট্ৰই কিছুমান সুনিৰ্দিষ্ট নিয়ম নিৰ্ধাৰণ কৰি দিয়ে। এইবোৰ সাধাৰণতে দেশখনৰ সংবিধান আৰু আইনবোৰত লিখা থাকিব। অবাঞ্ছিত লোকসকলক আঁতৰাই ৰখাৰ বাবে ৰাষ্ট্ৰবোৰে ইয়াৰ ক্ষমতা প্ৰয়োগ কৰে।

যি হওক, বিভিন্ন প্ৰতিবন্ধকতা, আনকি কাঁইটীয়া তাঁৰ অথবা পকা বেৰা নিৰ্মাণ সত্বেও পৃথিৱীত এক বৃহৎসংখ্যক লোকৰ অনুপ্ৰৱেশ চলি আছে। যুদ্ধ, উৎপীড়ন, দুৰ্ভিক্ষ ইত্যাদি বহুতো কাৰণত মানুহ স্থানান্তৰিত হ'ব পাৰে। যদি কোনো ৰাষ্ট্ৰই তেওঁলোকক আশ্ৰয় দিব নিবিচাৰে আৰু যদি তেওঁলোক নিজৰ ঘৰলৈ উভতি যাব নোৱাৰে, তেতিয়া তেওঁলোক ৰাষ্ট্ৰবিহীন বা শৰণাৰ্থী হৈ পৰে। তেওঁলোকক শৰণাৰ্থী শিবিৰত বা অবৈধ অনুপ্ৰৱেশকাৰী হিচাপে বাস কৰিবলৈ বাধ্য কৰোৱা হয়। তেওঁলোকে প্ৰায়ে বৈধভাৱে কাম কৰিব নোৱাৰে, অথবা ল'ৰা-ছোৱালীক পঢ়া-শুনাও কৰাব নোৱাৰে বা সম্পত্তিও আহৰণ কৰিব নোৱাৰে। সমস্যাটো ইমান ভয়াবহ যে ৰাষ্ট্ৰসংঘই তেওঁলোকক

যিবোৰৰ আধুনিক সভ্যতাৰ লগত কোনো সম্পৰ্ক নাছিল, এনে বহুতো লোকক সন্তবপৰ সম্পূৰ্ণ আৰু সমান নাগৰিকত্ব প্ৰদানৰ লক্ষ্য স্থিৰ কৰিছিল। দেশৰ বিভিন্ন ঠাইৰ পৰা অহা বিভিন্ন ভাষা ভাষী, ধৰ্ম আৰু আচাৰ-ব্যৱহাৰৰ লোকসকলৰ বাবেও এখন সমন্বয়ৰ ক্ষেত্ৰ গঢ়ি তুলিব বিচাৰিছিল। জনসাধাৰণৰ ব্যক্তিগত বিশ্বাস, ভাষা আৰু সংস্কৃতিবোৰ বৰ্তাই ৰাখি সকলোৰে বাবে সমান অধিকাৰ প্ৰদানৰ চেষ্টা কৰিছিল। সেয়েহে এইটো সংবিধানৰ মাধ্যমেৰে প্ৰয়াস কৰা এক অদ্বিতীয় প্ৰচেষ্টা। দিল্লীত গণৰাজ্য দিৱসৰ পেৰেডত বিভিন্ন সংস্কৃতি, ধৰ্ম আৰু অঞ্চলৰ লোকৰ অন্তৰ্ভুক্তিয়ে দেশখনৰ এই প্ৰচেষ্টাকেই নিদৰ্শন কৰে।

> **আলোচনা কৰা আহা**
>
> বিদ্যালয় নাইবা সৈন্যবাহিনীৰ দৰে কোনো চৰকাৰী প্ৰতিষ্ঠানত একক সাজ-পাৰ পৰিধানত অনুপ্ৰাণিত কৰা আৰু পাগুৰি আদিৰ দৰে ধৰ্মীয় প্ৰতীক নিষিদ্ধ যুক্তিযুক্ত নহয়।

নাগৰিকত্বৰ বিভিন্ন সুবিধাবোৰ সংবিধানত তৃতীয় অধ্যায় আৰু পৰৱৰ্তী সময়ত সংসদে গ্ৰহণ কৰা আইনবোৰত উপলব্ধ হ'ব। সংবিধানে প্ৰয়োজনীয়ভাৱেই নাগৰিকত্বৰ ক্ষেত্ৰত এক গণতান্ত্ৰিক আৰু বহুমুখী ধাৰণা গ্ৰহণ কৰিছিল। ভাৰতবৰ্ষত জন্মসূত্ৰে, বংশানুক্ৰমে, পঞ্জীয়ন, দেশীয়কৰণ অথবা ৰাজ্যক্ষেত্ৰ চামিলকৰণৰ দ্বাৰা নাগৰিকত্ব আহৰণ কৰিব পাৰি। নাগৰিকৰ অধিকাৰ আৰু বাধ্যবাধকতাসমূহ সংবিধানত লিপিবদ্ধ কৰা হৈছে। ৰাষ্ট্ৰই যাতে কোনো নাগৰিকক জাতি, বৰ্ণ, লিংগ, জন্মস্থানৰ ভিত্তিত বৈষম্যমূলক আচৰণ কৰিব নোৱাৰে, তাৰ ব্যৱস্থা সংবিধানত ৰখা হৈছে। ধৰ্মীয় আৰু ভাষিক সংখ্যালঘুসকলৰো অধিকাৰবিলাক সংৰক্ষিত কৰা হৈছে।

যি হওক, তেনেকুৱা বহুমুখী ব্যৱস্থাই কেতিয়াবা আনকি বিবাদ আৰু বিপ্লৱৰো সূত্ৰপাত কৰিছে। নাগৰিকত্বৰ সম্পূৰ্ণ অধিকাৰৰ পৰা বঞ্চিত হোৱাৰ বাবে সংঘটিত হোৱা আন্দোলনবোৰৰ কিছুমান হৈছে নাৰী আন্দোলন, দলিত শ্ৰেণীৰ আন্দোলন নাইবা উন্নয়নৰ কাৰ্যৰ বাবে বিতাৰিত হোৱা মানুহৰ আন্দোলন। ভাৰতবৰ্ষৰ অভিজ্ঞতাৰ পৰা এইটো প্ৰতীয়মান হৈছে যে গণতান্ত্ৰিক নাগৰিকত্ব যিকোনো দেশৰ বাবে এক আলম আৰু আদৰ্শ, যাৰ জৰিয়তে দেশখন আগবাঢ়ি যাব পাৰে। সমাজৰ পৰিৱৰ্তনৰ লগে লগে নতুন নতুন বিষয়বোৰে গুৰুত্ব পাইছে আৰু নিজকে অৱহেলিত বুলি থকা গোষ্ঠীবোৰে নতুন নতুন দাবী উত্থাপন কৰিছে। এখন গণতান্ত্ৰিক ৰাষ্ট্ৰই এই দাবীবোৰৰ সৈতে নিশ্চয় মোকাবিলা কৰিব লাগিব।

সহায়-সহযোগ কৰাৰ বাবে উচ্চায়ুক্ত (High Commission for Refugees) নিযুক্তি দিছিল।

এখন দেশত নাগৰিক হিচাপে কিমানসংখ্যক মানুহক অন্তৰ্ভুক্ত কৰিব পৰা যায়, সেইটো সিদ্ধান্ত লোৱাৰ ক্ষেত্ৰত কিছুমান দেশৰ কাৰণে মানবীয়তাৰ লগতে ৰাজনৈতিক সমস্যাত পৰিণত হৈছে। যুদ্ধ নাইবা উৎপীড়নৰ বাবে পলাই অহা লোকক গ্ৰহণ কৰাৰ এটা নীতি বহুতো দেশতে আছে। কিন্তু তেনেবোৰ দেশেও এক বৃহৎসংখ্যক মানুহক গ্ৰহণ কৰি ৰাষ্ট্ৰৰ নিৰাপত্তা অনিশ্চিত কৰিব নিবিচাৰিব। উৎপীড়নত স্থানান্তৰিত লোকক আশ্ৰয় প্ৰদান কৰি ভাৰতবৰ্ষই নিজকে গৰ্ব অনুভব কৰি আহিছে, যিদৰে ১৯৫৮ চনত দালাই লামা আৰু তেওঁৰ অনুসৰণকাৰীসকলৰ ক্ষেত্ৰত কৰিছিল। ভাৰতৰ ৰাজ্যবোৰত চাৰিসীমাৰ কাষে কাষে থকা প্ৰায়বোৰ দেশৰ পৰা অনুপ্ৰবেশ ঘটিছে, যিটো বৰ্তমানেও চলি আছে। এইদৰে প্ৰৱেশ কৰা বহু লোক বহু বছৰ বা বহু যুগ ধৰি ৰাষ্ট্ৰবিহীন হৈ আছে, যিসকলে শৰণাৰ্থী শিবিৰত নাইবা অবৈধ অনুপ্ৰৱেশকাৰী হিচাপে বাস কৰি আছে। তেওঁলোকৰ মাত্ৰ কিছু সংখ্যকহে নাগৰিকত্ব প্ৰদান কৰা হৈছে। এনে ধৰণৰ সমস্যাবোৰে গণতান্ত্ৰিক নাগৰিকত্বৰ প্ৰতিশ্ৰুতিৰ প্ৰতি প্ৰত্যাহ্বান জনায়, যিটোৱে সমসাময়িক বিশ্বৰ সকলোৰে বাবে অধিকাৰ আৰু পৰিচয় প্ৰাপ্তিৰ কথা দোহাৰে। যদিও বহুতো মানুহে তেওঁলোকৰ মনে বিচৰা ৰাষ্ট্ৰখনৰ নাগৰিকত্ব লাভ কৰিব নোৱাৰে, আনহাতে তেওঁলোকৰ বাবে কোনো বিকল্প পৰিচয়ো নাথাকে।

ৰাষ্ট্ৰবিহীন লোকৰ সমস্যাটো আজিৰ বিশ্বই সন্মুখীন হোৱা এক উল্লেখযোগ্য সমস্যা। যুদ্ধ নাইবা ৰাজনৈতিক বিবাদৰ দ্বাৰা ৰাষ্ট্ৰৰ চাৰিসীমাবোৰ বৰ্তমানেও পুনৰ নিৰ্ধাৰণ কৰি থকা হৈছে আৰু সেই বিবাদবিলাকত আটক হোৱা লোকসকলৰ সমস্যা বহুত জটিল হৈ পৰিছে। তেওঁলোকে বাসস্থানৰ নিৰাপত্তা আৰু ৰাজনৈতিক চিনাক্তি হেৰুৱাব লগা হয় আৰু দেশ এৰিবলৈ হেঁচা প্ৰয়োগ কৰা হয়। এই

**আমি কৰো আহা**

ভাৰতবৰ্ষত বৰ্তমানে বাস কৰি থকা ৰাষ্ট্ৰবিহীন লোকসকলৰ এখন তালিকা প্ৰস্তুত কৰা। তাৰে যিকোনো এক শ্ৰেণীৰ বিষয়ে চমু টোকা লিখা।

লোকসকলৰ সমস্যাবোৰ নাগৰিকত্বই সমধান কৰিব পাৰিবনে? যদি নোৱাৰে, তেনেহ'লে কি বিকল্প চিনাকি বৰ্তমান তেওঁলোকক আগবঢ়াব পাৰি। জাতীয় নাগৰিকত্বৰ পৰিৱৰ্তে অধিক বিশুদ্ধ সাৰ্বজনীন চিনাকিৰ বাবে আমি চেষ্টা কৰা তথা বিকাশ সাধন কৰাৰ প্ৰয়োজন হৈছে নেকি? মাজে-সময়ে বিশ্ব নাগৰিকত্বৰ বিষয়েও পৰামৰ্শ আগবঢ়োৱা হৈছে। ইয়াৰ সম্ভাৱনীয়তাসমূহ তলৰ খণ্ডত আলোকপাত কৰিম।

## ৬.৬ বিশ্ব নাগৰিকত্ব (Global Citizenship)

তলৰ তথ্যকেইটা মন কৰাচোন ঃ

- *২০০৪ চনত দক্ষিণ এছিয়াৰ প্ৰায়বোৰ দেশতে ছুনামিত বিস্তৰ ক্ষতিগ্ৰস্ত হোৱা লোকসকলৰ প্ৰতি গভীৰ সমবেদনা আৰু সহায় আগবঢ়োৱা হৈছিল।*
- *আজিৰ সন্ত্ৰাসবাদীসকল আন্তঃৰাষ্ট্ৰীয় নেটৱৰ্কেৰে সম্পৰ্কিত হৈ আছে।*
- *ৰাষ্ট্ৰসংঘই বিভিন্ন ৰাষ্ট্ৰৰ লগত পক্ষী জ্বৰৰ প্ৰাদুৰ্ভাৱ আৰু মানৱ দেহলৈ সংক্ৰমণক বাধা দিবৰ বাবে কাম কৰি আছে।*

উপৰিউক্ত তথ্যকেইটাত সাধাৰণভাবে কি কোৱা হৈছে? আমি বাস কৰি থকা পৃথিৱীখনৰ বিষয়ে এইবোৰে কি কয়?

আমি আজি এখন পৰস্পৰ সম্পৰ্কিত পৃথিৱীত বাস কৰোঁ। যোগাযোগৰ নতুন নতুন মাধ্যম, যেনে— ইণ্টাৰনেট আৰু দূৰদৰ্শন, দূৰভাষ আদিয়ে আমাৰ পৃথিৱীখনৰ সম্পৰ্কে জনাত এক যুগান্তকাৰী পৰিৱৰ্তন আনিলে। অতীতত পৃথিৱীৰ এটা অংশত ঘটি থকা উন্নয়নৰ বাৰ্তাবোৰ আন এটা অংশত অৱগত হ'বলৈ কেইবামাহো লাগিছিল। কিন্তু যোগাযোগৰ নতুন মাধ্যমবোৰৰ কৃপাত আমি বৰ্তমানে তৎক্ষণাৎ পৃথিৱীৰ যিকোনো প্ৰান্তত ঘটি থকা ঘটনাবোৰৰ বিষয়ে অৱগত হৈছো। আমি দূৰদৰ্শনৰ পৰ্দাত দুৰ্ঘটনা নাইবা যুদ্ধ ঘটি থকা সময়তে চাব পাৰিছো। এইবোৰে পৃথিৱীৰ বিভিন্ন দেশৰ মানুহবোৰৰ মাজত সহানুভূতি আৰু সচেতনতা বৃদ্ধিত সহায় কৰিছে।

বিশ্ব নাগৰিকত্বৰ সমৰ্থকসকলে যুক্তি দৰ্শাই যে যদিও এক বিশ্ব সম্প্ৰদায়

বা বিশ্ব সমাজৰ অৱস্থিতি নাই, তথাপি মানুহে ৰাষ্ট্ৰীয় চাৰিসীমাৰ বাহিৰত এজনে আনজনৰ নগত সম্পৰ্কিত হৈ আছে বুলি অনুভৱ কৰে। তেওঁলোকে ক'ব বিচাৰে এছিয়াৰ ছুনামিত ক্ষতিগ্ৰস্তসকলক বা আন যিকোনো প্ৰাকৃতিক দুৰ্যোগত ক্ষতিগ্ৰস্ত সকলক পৃথিৱীৰ সকলো ঠাইৰ পৰা নিৰ্বিঘ্নে সহায়-সহযোগ কৰিবলৈ অহাটো এখন বিশ্ব সমাজৰ আৱিৰ্ভাৱৰ আগজাননী। আমি এই অনুভৱ আৰু কাম-কাজবোৰক বিশ্ব নাগৰিকত্বৰ বাবে শক্তিশালী ৰূপত প্ৰতিষ্ঠা কৰিব লাগে বুলি তেওঁলোকে অনুভৱ কৰে।

পৃথিৱীত মৰ্যাদা সহকাৰে জীয়াই থকাৰ বাবে প্ৰয়োজনীয় সকলো নিৰাপত্তা আৰু অধিকাৰ ৰাষ্ট্ৰই আমাক প্ৰদান কৰাটো জাতীয় নাগৰিকত্বৰ ধাৰণাই ক'ব বিচাৰে। কিন্তু ৰাষ্ট্ৰবোৰে আজিকালি এনে কিছুমান সমস্যাৰ সন্মুখীন হয়, যিবোৰ অকলশৰীয়াকৈ সমাধান কৰাটো তেওঁলোকৰ বাবে অসম্ভৱ। এনেকুৱা পৰিস্থিতিত ৰাষ্ট্ৰই নিশ্চিত কৰা ব্যক্তিগত অধিকাৰবোৰে মানুহৰ স্বাধীনতা ৰক্ষা কৰাত বৰ্তমান যথেষ্ট নে? নে মানৱ অধিকাৰ আৰু বিশ্ব নাগৰিকত্বৰ ধাৰণাৰ কথা চিন্তা কৰাৰ সময় আহিছে?

বিশ্ব নাগৰিকত্বৰ ধাৰণাটোৰ এটা আকৰ্ষণীয় দিশ হ'ল এই যে ৰাষ্ট্ৰীয় চাৰিসীমাৰ পৰিসৰৰ বাহিৰত যি সমস্যাৰ সৃষ্টি হয়, সেই সমস্যাবোৰৰ সমাধানত ই নিশ্চয় সহায়ক হ'ব। কাৰণ এনেবোৰ সমস্যা সমাধানত বিভিন্ন ৰাষ্ট্ৰৰ মানুহৰ লগতে চৰকাৰবোৰৰো সহযোগিতাৰ প্ৰয়োজন। উদাহৰণস্বৰূপে, ভগনীয়া আৰু ৰাষ্ট্ৰবিহীন লোকসকলৰ সমস্যাবোৰৰ এক গ্ৰহণযোগ্য সমাধান বিচাৰি উলিওৱাত ই নিশ্চয় সহায়ক হ'ব, নতুবা অমনোযোগী ৰাষ্ট্ৰবোৰৰ ক্ষেত্ৰত তেওঁলোক জীয়াই থকাৰ বাবে ন্যূনতম অধিকাৰ আৰু নিৰাপত্তাখিনি নিশ্চিত কৰিব পৰা হ'ব।

আগৰ খণ্ডটোত আমি দেখিলো যে আৰ্থ-সামাজিক অসমতা বা অন্য সমস্যাৰ বাবে সমান নাগৰিকত্বই দেশখনৰ ভিতৰতে প্ৰত্যাহ্বানৰ সন্মুখীন হয়। তেনেকুৱা সমস্যাবোৰৰ সবিশেষ সমাধান সেই বিশেষ সমাজখনৰ লোকসকলে আৰু চৰকাৰেহে দিব পাৰিব। সেইবাবে, এখন ৰাষ্ট্ৰৰ পূৰ্ণ আৰু সমান সদস্যতা

মানুহৰ বাবে আজিও গুৰুত্বপূৰ্ণ হৈ আছে। আমি আমাৰ জাতীয় নাগৰিকত্বৰ অভাৱখিনিক বিশ্ব নাগৰিকত্বৰে পূৰণ কৰাৰ প্ৰয়াস কৰিব লাগিব। কিয়নো আমি বৰ্তমানে এখন পৰস্পৰ সংযোগী পৃথিৱীত বাস কৰোঁ আৰু সেয়ে পৃথিৱীৰ বিভিন্ন অঞ্চলত বাস কৰা মানুহবোৰৰ লগত সম্পৰ্ক শক্তিশালী কৰি তুলিব। লাগিব আৰু ৰাষ্ট্ৰীয় পৰিসৰ নিৰ্বিশেষে সকলো মানুহ আৰু চৰকাৰৰ লগত কাম কৰিবৰ বাবে প্ৰস্তুত থাকিব লাগিব।

Daily Assam

# ? অনুশীলনী

১। নাগৰিকত্বত ৰাজনৈতিক সম্প্ৰদায় এটাৰ সম্পূৰ্ণ আৰু সমান সদস্যতা হিচাপে অধিকাৰ আৰু বাধ্যবাধকতা দুয়োটাই জড়িত হৈ আছে। আজিকালি প্ৰায়বোৰ গণতান্ত্ৰিক ৰাষ্ট্ৰতে কোনবোৰ অধিকাৰ ভোগ কৰাৰ বাবে নাগৰিকসকলে আশা কৰে? তেওঁলোকৰ ৰাষ্ট্ৰ আৰু অন্যান্য নাগৰিকৰ প্ৰতি কেনেকুৱা ধৰণৰ বাধ্যবাধকতা থাকিব?

২। সকলো নাগৰিককে সমান অধিকাৰ প্ৰদান কৰা হ'লেও সকলোৱে তাক সমানে প্ৰয়োগ কৰিব নোৱাৰিব পাৰে। ব্যাখ্যা কৰা।

৩। শেহতীয়াভাৱে ভাৰতবৰ্ষত নাগৰিকৰ অধিকাৰৰ পূৰ্ণ উপভোগৰ বাবে হোৱা যিকোনো দুটা বিপ্লৱৰ বিষয়ে চমু টোকা লিখা। ইয়াত কোনবোৰ অধিকাৰ দাবী কৰা হৈছিল?

৪। শৰণাৰ্থীসকলে সন্মুখীন হোৱা সমস্যাবোৰ কি কি? গোলকীয় নাগৰিকত্বৰ ধাৰণাই তেওঁলোকক কিদৰে সহায় কৰিব?

৫। দেশৰ ভিতৰতে বিভিন্ন অংশৰ পৰা হোৱা প্ৰব্ৰজনক স্থানীয় লোকসকলে প্ৰায়ে বাধা প্ৰদান কৰে। স্থানীয় অৰ্থনীতিলৈ প্ৰব্ৰজনকাৰীসকলে কি কি অৱদান আগবঢ়াব পাৰে?

৬। 'ভাৰতৰ দৰে সমান নাগৰিকত্ব প্ৰদান কৰা গণতান্ত্ৰিক নাগৰিকত্ব পৈনতাৰ বিপৰীতে এক কল্পনাহে।' বৰ্তমান ভাৰতবৰ্ষত নাগৰিকত্বক লৈ উত্থাপিত হোৱা বিষয়বোৰৰ কিছুমান আলোচনা কৰা।



Daily Assam